# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 26-MAR-2026
**Time :** 1910 HRS

## *Assamese Evening Bulletin*
## Headlines
-------------------

০০০০০

১। দেশৰ পেট্ৰ'লিয়াম আৰু ৰন্ধন গেছ যোগান সম্পূৰ্ণৰূপে নিৰাপদ আৰু নিয়ন্ত্ৰণত আছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে পুনৰ প্ৰকাশ কৰিছে।

২। দেশত পথ সুৰক্ষা উন্নত কৰাৰ বাবে চৰকাৰে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে বুলি নতুন দিল্লীত অনুষ্ঠিত সড়ক সুৰক্ষা অভিযান ২০২৬ত কেন্দ্ৰীয় মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে।

৩। সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময়সীমাৰ আজি অন্ত পৰিছে।

৪। দেশৰ ভিন্ন প্ৰান্তত আজি ভগৱান ৰামৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে ৰাম নৱমী পালন কৰা হৈছে।

*আৰু*

৫। অন্ধ্ৰ প্ৰদেশৰ মাৰ্কাপুৰমত সংঘটিত পথ দুৰ্ঘটনাত ১৩ জন লোকৰ মৃত্যু হৈছে।

০০০০০

দেশৰ পেট্ৰ'লিয়াম আৰু ৰন্ধন গেছ যোগান সম্পূৰ্ণৰূপে নিৰাপদ আৰু নিয়ন্ত্ৰণত আছে বুলি পেট্ৰ'লিয়াম আৰু প্ৰাকৃতিক গেছ মন্ত্ৰালয়ে পুনৰ প্ৰকাশ কৰিছে। মন্ত্ৰালয়ে সদৰি কৰা মতে সকলো খুচুৰা বিপনীত পৰ্য্যাপ্ত পৰিমাণে ইন্ধন মজুত আছে আৰু দেশৰ কোনো ঠাইত পেট্ৰল, ডিজেল বা ৰন্ধন গেছৰ নাটনি হোৱা নাই। মন্ত্ৰালয়ে লগতে অযথা ত্ৰাস সৃষ্টিৰ উদ্দেশ্যপ্ৰণোদিতভাৱে বিয়পিওৱা উৰা বাতৰিত পতিয়ন নাযাবলৈ জনসাধাৰণৰ প্ৰতি আহ্বান জনায়। দেশৰ প্ৰতিটো শোধনাগাৰে ১০০ শতাংশ সাৰ্মথ্যৰে কাম কৰি আছে বুলি উল্লেখ কৰি মন্ত্ৰালয়ে দেশৰ মুঠ মজুতকৰণ সাৰ্মথ্য ৭৪ দিনৰ আৰু সম্প্ৰতি প্ৰায় ৬০ দিনৰ বাবে ইন্ধন মজুত আছে বুলি জানিবলৈ দিয়ে। দেশৰ কোনো ঠাইতে ৰন্ধন গেছৰ নাটনি হোৱা নাই বুলিও মন্ত্ৰালয়ে জানিবলৈ দিয়ে। ঘৰুৱা শোধনাগাৰৰ উৎপাদন ৪০ শতাংশ বৃদ্ধি কৰা হৈছে আৰু দৈনিক ৬০ হাজাৰ মেট্ৰিক টন ৰন্ধন গেছ উৎপাদন কৰা হৈছে। এই পৰিমাণ দেশৰ আৱশ্যকতাৰ ৬০ শতাংশৰো অধিক।

০০০০০

দেশত পথ সুৰক্ষা উন্নত কৰাৰ বাবে চৰকাৰে ব্যাপক ব্যৱস্থা গ্ৰহণ কৰিছে বুলি কেন্দ্ৰীয় পথ পৰিবহন আৰু ঘাইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে প্ৰকাশ কৰিছে। নতুন দিল্লীত অনুষ্ঠিত সড়ক সুৰক্ষা অভিযান ২০২৬ত অভিনেতা আমিৰ খানৰ সৈতে মত-বিনিময় কৰি পথ সুৰক্ষাৰ উন্নতিৰ বাবে ৪০ হাজাৰ কোটি টকাতকৈও অধিক ধন ব্যয় কৰা হৈছে বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। শ্ৰীগাডকাৰীয়ে কয় যে দেশখনত যোৱা কেইটামান বছৰত যান-বাহন উদ্যোগৰ উন্নয়ন হৈছে আৰু বিশ্বৰ ভিতৰত তৃতীয় বৃহত্তম উদ্যোগ হিচাপে আত্মপ্ৰকাশ কৰিছে। তেওঁ লগতে কয় যে নীতি সংস্কাৰ আৰু আন্তঃগাঁথনি উন্নয়নৰ সহায়ত ভাৰতক এই খণ্ডত শীৰ্ষস্থানলৈ লৈ যোৱাৰ দৃষ্টিভংগীৰে চৰকাৰে কাম কৰি আহিছে। দেশত পথ দুৰ্ঘটনা

হ্ৰাস কৰিবলৈ চৰকাৰে বাহনসমূহত ছটা এয়াৰবেগ বাধ্যতামূলক কৰিছে, পথ সুৰক্ষা মূল আইন প্ৰৱৰ্তন কৰিছে, অনুজ্ঞাপত্ৰ ব্যৱস্থা ডিজিটেলাইজড কৰিছে আৰু ২০০ৰো অধিক চালকৰ প্ৰশিক্ষণ কেন্দ্ৰ মুকলি কৰিছে। নাগৰিকৰ অংশগ্ৰহণ সন্দৰ্ভত গুৰুত্ব আৰোপ কৰি শ্ৰীগাডকাৰীয়ে সকলোকে পথত যান-বাহন চলাচল কৰোতে নিয়মসমূহ মানি চলিবলৈ, হেলমেট পিন্ধিবলৈ, ছিটবেল্ট ব্যৱহাৰ কৰিবলৈ আৰু যান-বাহন চলাচলৰ সংকেত অনুসৰণ কৰিবলৈ আহ্বান জনায়।

ooooo

সমাগত অসম বিধানসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ সময়সীমাৰ আজি অন্ত পৰিছে। চি পি আইয়ে আজি **শিৱসাগৰ** বিধানসভা সমষ্টিৰ বাবে দাখিল কৰা মনোনয়ন প্ৰত্যাহাৰ কৰিছে। **বজালী** জিলাৰ ভৱানীপুৰ-সৰভোগ বিধানসভা সমষ্টিত এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰাত সমষ্টিটোত এতিয়া মুঠ ৫ গৰাকী প্ৰাৰ্থী নিৰ্বাচনত অৱতীৰ্ণ হ'ব। **চিৰাং** জিলাত আজি ৪ জন প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰে। **নগাঁও** জিলাৰ ৭টা বিধানসভা সমষ্টিৰ ভিতৰত ধিং বিধানসভা সমষ্টিৰ এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে প্ৰাৰ্থিত্ব প্ৰত্যাহাৰ কৰিছে। কাছাৰ জিলাৰ উধাৰবন্দ সমষ্টিতো এগৰাকী নিৰ্দলীয় প্ৰাৰ্থীয়ে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। এতিয়ালৈকে প্ৰাৰ্থীৰ মনোনয়ন প্ৰত্যাহাৰৰ আনুষ্ঠানিক তথ্য লাভ কৰা হোৱা নাই।

উল্লেখযোগ্য যে, ৰাজ্যখনৰ মুঠ ১২৬টা বিধানসভা সমষ্টিত মনোনয়ন পৰীক্ষা কৰাৰ অন্তত ৭৮৯ গৰাকী প্ৰাৰ্থীৰ মনোনয়ন পত্ৰ বৈধ বিবেচিত হৈছে।

ooooo

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ দুদিনীয়া ভ্ৰমণসূচীৰে আজি ফ্ৰান্সত উপস্থিত হয়। ড০ জয়শংকৰে তাত ফ্ৰান্সৰ বৈদেশিক মন্ত্ৰী জ্যা-নয়েল বেৰটৰ সৈতে দ্বিপাক্ষিক বৈঠকত মিলিত হয়। উল্লেখযোগ্য যে ড০ এছ্ জয়শংকৰে এই দুদিনীয়া ভ্ৰমণকালত ফ্ৰান্সত জি-ছেভেন বিদেশ মন্ত্ৰীৰ সৈতে বৈঠকত মিলিত হ'ব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ উত্তৰ প্ৰদেশৰ জেৱৰত নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ প্ৰথম পৰ্যায়ৰ উদ্বোধন কৰিব। প্ৰায় ১১ হাজাৰ ২০০ কোটি টকা ব্যয়সাপেক্ষে এই বিমান বন্দৰটো নিৰ্মাণ কৰা হৈছে। নয়দা আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰ দেশৰ সৰ্ববৃহৎ গ্ৰীণ ফিল্ড বিমানবন্দৰসমূহৰ অন্যতম। বিমান বন্দৰটোৰ উদ্বোধন দেশক গোলকীয় বিমান পৰিবহণ কেন্দ্ৰৰূপে গঢ়ি তোলাৰ দিশৰ পৰা গুৰুত্বপূৰ্ণ মাইলৰ খুঁটি হিচাপে বিবেচিত হৈছে। বিমানবন্দৰটোৰে বছৰি আঢ়ৈ লাখ মেট্ৰিকটন সামগ্ৰী সৰবৰাহ কৰিব পৰা যাব আৰু এই পৰিমাণ প্ৰায় ১৮ লাখ মেট্ৰিকটনলৈ বৃদ্ধি কৰাৰ থল আছে।

ooooo

দেশৰ ভিন্ন প্ৰান্তত আজি ভগৱান ৰামৰ জন্মবাৰ্ষিকীৰ লগত সংগতি ৰাখি ধৰ্মীয় ৰীতি-নীতি আৰু উৎসাহ উদ্দীপনাৰে ৰাম নৱমী পালন কৰা হৈছে। ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে ৰাম নৱমী উপলক্ষে জনসাধাৰণলৈ শুভেচ্ছা জ্ঞাপন কৰিছে। ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে তেওঁৰ বাৰ্তাত কয়, যে ভগৱান ৰামৰ জীৱনযাত্ৰাই আমাক অৰ্থৱহ জীৱনৰ বাবে সত্য, ন্যায় আৰু সুকৰ্মৰ পথ অনুসৰণ কৰিবলৈ শিকাই থৈ গৈছে। প্ৰভু ৰামৰ জীৱনে আমাক সমাজৰ প্ৰতি থকা কৰ্তব্য পালন কৰিবলৈ প্ৰেৰণা যোগায় বুলি উল্লেখ কৰি ৰাষ্ট্ৰপতিগৰাকীয়ে কয়, যে তেওঁৰ জীৱনাদৰ্শ দেশৰ সংস্কৃতিৰ ভেটিস্বৰূপ আৰু এই আদৰ্শ অনুসৰণ কৰি জীয়াই থাকিবলৈ চেষ্টা কৰা উচিত। ৰাষ্ট্ৰপতিগৰাকীয়ে লগতে দেশৰ নাগৰিকসকলক ভগৱান ৰামৰ জীৱনৰ লেখীয়া মহান গাঁথাসমূহৰ পৰা শিক্ষা গ্ৰহণ কৰিবলৈ আৰু কথা, চিন্তা তথা কাৰ্যৰে ৰাষ্ট্ৰৰ প্ৰতি সেৱা আগবঢ়োৱাৰ অৰ্থে অংগীকাৰবদ্ধ হ'বলৈ আহ্বান জনায়।

উপ-ৰাষ্ট্ৰপতি চি পি ৰাধাকৃষ্ণণে ৰাম নৱমী উপলক্ষে দিয়া এটা বাৰ্তাত ভগৱান ৰামক ধৈৰ্য, ত্যাগ আৰু ন্যায়ৰ প্ৰতিমূৰ্তি আখ্যা দিয়ে। তেওঁ কয়, যে শ্ৰী ৰামৰ আদৰ্শৰাজিয়ে যুগ যুগ ধৰি জনসাধাৰণক সামাজিক সম্প্ৰীতি, নৈতিক আচৰণ আৰু ৰাজহুৱা সেৱাৰ পথেৰে আগবাঢ়িবলৈ অনুপ্ৰেৰণা যোগাই যাব। তেওঁ লগতে ভগৱান ৰামৰ আশীষে অশুভ শক্তিৰ বিৰুদ্ধে শুভ শক্তিৰ বিজয় সুনিশ্চিত কৰিব আৰু অন্যায়-অহংকাৰ-অশান্তি দূৰ কৰি এখন উন্নত সমাজ গঢ়ি তুলিব বুলি আশা প্ৰকাশ কৰে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সামাজিক মাধ্যমযোগে দিয়া এটা বাৰ্তাত কয়, যে ত্যাগ আৰু সংযমেৰে ভৰা ভগৱান ৰামৰ জীৱনে পূৰ্ণ শক্তিৰে যিকোনো পৰিস্থিতিৰ সন্মুখীন হ'বলৈ প্ৰেৰণা যোগাই আহিছে। তেওঁ কয়, যে ভগৱান ৰামৰ আদৰ্শৰাজিৰে অকল দেশৰ জনসাধাৰণকেই নহয়, বৰং সমগ্ৰ মানৱ জাতিকে পথ প্ৰদৰ্শন কৰি আহিছে। তেওঁ লগতে ভগৱান ৰামৰ আশিষে সকলোৰে কল্যাণ সুনিশ্চিত কৰি এখন আত্মনিৰ্ভৰ আৰু উন্নত ভাৰতবৰ্ষ গঢ়াৰ সপোন বাস্তৱায়িত কৰাৰ পথ প্ৰশস্ত কৰিব বুলি আশা প্ৰকাশ কৰে।

কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে সামাজিক মাধ্যমযোগে জনসাধাৰণলৈ ৰামনৱমীৰ শুভেচ্ছা জ্ঞাপন কৰে। তেওঁ কয় যে ভগৱান শ্ৰীৰামৰ জীৱনে সত্য, ধৰ্ম আৰু কৰ্তব্যৰ পথেৰে অগ্ৰসৰ হোৱাৰ বাবে অনুপ্ৰেৰণা যোগাই আহিছে।

ooooo

অন্ধ্ৰ প্ৰদেশৰ মাৰ্কাপুৰম জিলাৰ ৰায়াবৰমৰ সমীপত আজি পুৱা সংঘটিত এটা পথ দুৰ্ঘটনাত ১৩ জন লোকৰ মৃত্যু হোৱাৰ উপৰি কমেও ২৮ জন লোক আহত হয়। হায়দৰাবাদৰ পৰা পামুৰু অভিমুখে গৈ থকা যাত্ৰীবাহী এখন বাছে সন্মুখৰ পৰা আহি থকা এখন ট্ৰাকক খুন্দা মৰাৰ পাছতে বাছখনত জুই জ্বলিবলৈ ধৰে। প্ৰাৰম্ভিক তথ্যত প্ৰকাশ পোৱা মতে, বহুকেইজন যাত্ৰী বাছৰ ভিতৰত আৱদ্ধ হৈ পৰে আৰু সম্পূৰ্ণৰূপে অগ্নিদগ্ধ হয়। ঘটনাৰ খবৰ পোৱাৰ পাছতে আৰক্ষী আৰু তাৎক্ষণিক সঁহাৰি বাহিনীয়ে ঘটনাস্থলীত উপস্থিত হৈ উদ্ধাৰ অভিযান আৰম্ভ কৰে। আহতসকলক শীঘ্ৰেই নিকটৱৰ্তী চিকিৎসালয়ত ভৰ্তি কৰোৱা হয়।ৰাজ্য চৰকাৰে নিহত আৰু আহতসকলৰ পৰিয়াললৈ সম্পূৰ্ণ সহায়-সহযোগ আগবঢ়াব বুলি আশ্বাস প্ৰদান কৰে।

অন্ধ্ৰপ্ৰদেশৰ মুখ্যমন্ত্ৰী এন চন্দ্ৰবাবু নাইডুৱে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। ঘটনাৰ খবৰ পোৱা মাত্ৰেই তেওঁ কেইবাগৰাকী মন্ত্ৰী, শীৰ্ষ আৰক্ষী বিষয়া, জিলা অধীক্ষক তথা জিলা আয়ুক্তৰ সৈতে ভাৰ্চুৱেল ব্যৱস্থাৰে পৰিস্থিতি পৰ্যালোচনা কৰে। শ্ৰীনাইডুৱে আঘাতপ্ৰাপ্ত লোকসকলৰ সু-চিকিৎসা নিশ্চিত কৰা আৰু নিহতসকলৰ পৰিয়ালক আৰ্থিক সাহায্য প্ৰদানৰ বাবে বিষয়াসকলক নিৰ্দেশ দিয়ে। তেওঁ লগতে নিহতসকলৰ পৰিয়াললৈ গভীৰ সমবেদনা জ্ঞাপন কৰি ঘটনাৰ তদন্তৰ নিৰ্দেশ দিয়ে।

ৰাষ্ট্ৰপতি, উপ-ৰাষ্ট্ৰপতি আৰু প্ৰধানমন্ত্ৰীয়ে এই ঘটনাত গভীৰ শোক প্ৰকাশ কৰিছে। তেওঁলোকে নিহতসকলৰ পৰিয়াললৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ্য কামনা কৰে। প্ৰধানমন্ত্ৰী মোদীয়ে নিহতসকলৰ নিকটাত্মীয়লৈ প্ৰধানমন্ত্ৰী ৰাষ্ট্ৰীয় সাহায্য পুঁজিৰ পৰা ২ লাখ টকাকৈ আৰু আহতসকললৈ ৫০ হাজাৰ টকাকৈ এককালীন সাহায্য ঘোষণা কৰে।

ooooo

সমাপ্ত